# Telephone conversation between Prime Minister Narendra Modi and His Excellency Joseph R. Biden, President-elect of the United States of America

November 17, 2020

## প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰৰ নৱনিৰ্বাচিত ৰাষ্ট্ৰপতি শ্ৰীযুত যোছেফ আৰ বাইদেনৰ মাজত টেলিফোনিক বাৰ্তালা

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে কালি মাৰ্কিন যুক্তৰাষ্ট্ৰৰ নৱনিৰ্বাচিত ৰাষ্ট্ৰপতি শ্ৰীযুত যোছেফ আৰ বাইদেনৰ সৈতে টেলিফোনযোগে কথা পাতে।

ৰাষ্ট্ৰপতি নিৰ্বাচনত বাইদেনৰ বিজয়ৰ বাবে প্ৰধানমন্ত্ৰীয়ে তেওঁক অভিনন্দন জনাই কয় যে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ গণতান্ত্ৰিক পৰম্পৰাৰ শক্তি আৰু সুস্থিৰ দিশটো ইয়াৰ জৰিয়তে প্ৰতিফলিত হৈছে।

প্ৰধানমন্ত্ৰীয়ে চিনেটৰ কমলা হেৰিছক উপ-ৰাষ্ট্ৰপতি পদত নিৰ্বাচিত হোৱাৰ বাবে আন্তৰিক অভিনন্দন জনায়। শ্ৰী মোদীয়ে এই প্ৰসংগত ২০১৪ আৰু ২০১৬ চনত তেওঁৰ মাৰ্কিন যুক্তৰাষ্ট্ৰত চৰকাৰী ভ্ৰমণৰ সময়ত শ্ৰীযুত বাইদেনৰ সৈতে হোৱা বৈঠকৰ বিষয়টো স্মৰণ কৰে। প্ৰধানমন্ত্ৰীৰ ২০১৬ চনত মাৰ্কিন ভ্ৰমণৰ সময়ত মাৰ্কিন কংগ্ৰেছৰ যুটীয়া অধিৱেশনত বাইদেনে অধ্যক্ষতা কৰিছিল।

দুয়োগৰাকী নেতা সমমূল্যবোধ আৰু অভিন্ন পাৰস্পৰিক স্বাৰ্থৰ ওপৰত ভিত্তি কৰি ভাৰত-মাৰ্কিন যুক্তৰাষ্ট্ৰ সৰ্বাংগীন আন্তঃৰাষ্ট্ৰীয় কৌশলগত অংশীদাৰিত্বক আগুৱাই নিয়াৰ ক্ষেত্ৰত সহমত পোষণ কৰে। ক'ভিড-১৯ মহামাৰী, কম মূল্যৰ টিকা, জলবায়ু পৰিৱৰ্তন ৰোধত বিভিন্ন পদক্ষেপ আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত সহযোগিতাকে ধৰি বিভিন্ন বিষয়ক লৈ তেওঁলোকে আলোচনা কৰে।

**নিউ দিল্লী**
**নভেম্বৰ 17, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.